# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-10-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

***- - - - - - - - - - - - - - -***

দেৱী দুৰ্গাক আৰাধনাৰ বাবে আজি শুক্লা প্ৰতিপদৰ পৰা ধৰ্মীয় উৎসাহ-উদ্দীপনাৰে নৱৰাত্ৰি পূজা আৰম্ভ হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আৰম্ভ হোৱা নৱৰাত্ৰি উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। উল্লেখযোগ্য যে নৱৰাত্ৰিৰ সময়ত ভক্তসকলে দেৱী দুৰ্গাৰ ৯টা ৰূপক পূজা-অৰ্চনা কৰে। প্ৰথম দিনা শৈলপুত্ৰী হিচাপে মা দুৰ্গাক আৰাধনা কৰা হয়। ইয়াৰ পাছত ক্ৰমান্বয়ে ব্ৰহ্মচাৰিণী, চন্দ্ৰঘণ্টা, কুষ্মাণ্ড, স্কন্দমাতা, কাত্যায়নী ৰূপত শক্তিৰূপিনী মা দুৰ্গাৰ পূজা কৰা হ'ব। আনহাতে মহাষষ্ঠীৰ সন্ধিয়া বেলবৰণ কৰাৰ পাছতে সপ্তমীত কালৰাত্ৰি, মহাষ্টমীত মহাগৌৰী আৰু মহা নৱমীত সিদ্ধিদাত্ৰীৰ ৰূপত পূজা কৰাৰ পাছত দশমীত দেৱীক বিসৰ্জন দিয়া হ'ব। এইবাৰ দেৱীৰ দোলাত আগমন হৈছে আৰু ঘোঁৰাৰে গমন কৰিব। দুৰ্গা পূজাৰ উপলক্ষে বিভিন্ন ঠাইৰ পূজা-মণ্ডপসমূহ কাৰিকৰসকলে আটক ধুনীয়াকৈ সজাই তুলিছে। আনহাতে, বজাৰসমূহো পূজাৰ বাবে বিভিন্ন ধৰণৰ সাজ-পাৰকে ধৰি অন্যান্য সামগ্ৰীৰে ভৰি পৰিছে।

০০০০০০০

হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান আজি অন্ত পৰিব। ৰাজ্যখনৰ ৯০টা বিধানসভা সমষ্টিৰ বাবে পৰহিলৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনটোতে হাৰিয়ানা বিধানসভা নিৰ্বাচনৰো ভোটগণনা ৮ অক্টোবৰত সম্পন্ন হ'ব। প্ৰচাৰৰ আজি অন্তিম দিনা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আমবালা বিধানসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰত অংশগ্ৰহণ কৰিছে। ইপিনে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে কালায়াত আৰু ছফিড' বিধানসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰত অংশ লৈছে। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কেইবাটাও বিধানসভা সমষ্টিত নিজৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাইছে। ইফালে, ইণ্ডিয়ান নেচনেল লোক দলৰ নেতা অভয় সিং চৌতালাইও দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰত অংশ লৈছে।

নিৰ্বাচন আয়োগে পৰহিলৈ সন্ধিয়া চাৰে ৬ বজা পৰ্যন্ত একজিট পুল প্ৰকাশত নিষেধাজ্ঞা আৰোপ কৰিছে। ছপা মাধ্যম, বৈদ্যুতিন সংবাদ মাধ্যম বা আন কোনো সংস্থাই নিৰ্ধাৰিত সময়তকৈ পূৰ্বে একজিট পুল প্ৰকাশ কৰিব নোৱাৰিব।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ৪-৫ দিনলৈ গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত ধাৰাষাৰ বৰষুণৰ আগলি বতৰা দিছে। বিভাগে প্ৰকাশ কৰা অনুসৰি নামনি অসমৰ কেইবাখনো জিলাৰ লগতে ডিব্ৰুগড়, তিনিচুকীয়া আৰু কাছাৰ জিলাত চলিত সপ্তাহটোত বিজুলী-ঢেৰেকনিৰে প্ৰবল বৰষুণৰ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। ডিমা হাছাও আৰু পশ্চিম কাৰ্বি আংলং জিলাত ধাৰাষাৰ বৰষুণৰ আগজাননী দিছে।

০০০০০০০

ড০ বাবুল চন্দ্ৰ দাসক আজি ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া আসনত অধিষ্ঠিত কৰা হয়। সত্ৰখনৰ ২৬ সংখ্যক বুঢ়াসত্ৰীয়াৰ অভিষেক অনুষ্ঠান উপলক্ষে আজি বৰপেটাৰ উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। নৱনিৰ্বাচিত

বুঢ়াসত্ৰীয়াগৰাকীক গায়ন-বায়ন আৰু সত্ৰৰ ভকতে আদৰি আনি ৰীতি অনুসৰি তেওঁৰ পৰা থানৰ বাতৰি লোৱাৰ লগতে ৰাজহুৱা আশীৰ্বাদ প্ৰদান কৰা হয়। ইয়াৰ পাছত তেওঁক গুৰু আসনৰ পাছফালে থকা বুঢ়াসত্ৰীয়াৰ আসনত অধিষ্ঠিত কৰি সত্ৰৰ ঘাই দেউৰী নাৰায়ণ আতৈয়ে শিৰত মালা-নিৰ্মালী অৰ্পণ কৰে। আজিৰ এই বিশেষ অনুষ্ঠানত জিনকাটা সত্ৰ, বৰঙাজুলি সত্ৰ, শ্ৰীশ্ৰী ঈশ্বৰহাটী সত্ৰৰ সত্ৰাধিকাৰকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০

ৰাজ্য চৰকাৰৰ আনন্দৰাম বৰুৱা নগদ ধন প্ৰদান আঁচনিৰ অধীনত আবেদন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত ৯৮২ গৰাকীৰ বেংক একাউণ্টৰ তথ্যত বিসংগতি ধৰা পৰিছে। সেয়েহে মাধ্যমিক শিক্ষা সঞ্চালকে শিক্ষানুষ্ঠানসমূহৰ মুৰব্বীসকলক এই ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে যোগাযোগ কৰি পৰহিলৈৰ ভিতৰত বেংক একাউণ্টৰ শুদ্ধ তথ্যসহ নতুনকৈ আবেদন দাখিল কৰিবলৈ নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশনাটোত লগতে উল্লেখ কৰা হৈছে যে ২০২৪ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশতকৈ অধিক নম্বৰ লাভ কৰা মুঠ ২৬ হাজাৰ ৯৬৯ গৰাকী শিক্ষাৰ্থী আনন্দৰাম বৰুৱা নগদ ধন প্ৰদান আঁচনিৰ বাবে যোগ্য বিবেচিত হৈছিল।

০০০০০০০

নগাঁও জিলা উপায়ুক্তৰ কাৰ্যালয়ত আজি এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলাখনত ৰূপায়িত হৈ থকা বিভিন্ন উন্নয়নমূলক আঁচনিৰ কাম-কাজৰ অগ্ৰগতিৰ সন্দৰ্ভত জিলা আয়ুক্তকে ধৰি উন্নয়ন আয়ুক্ত, মুখ্য কাৰ্যবাহী বিষয়া, অতিৰিক্ত আয়ুক্ত তথা বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলে আলোচনা কৰে। আলোচনাত আয়ুক্তগৰাকীয়ে জিলাখনত চলিত আৰু পৰিকল্পিত আন্তঃগাঁথনি উন্নয়ন আঁচনিসমূহৰ সঠিক ৰূপায়ণৰ দিশত গুৰুত্ব আৰোপ কৰে।

০০০০০০০

সামাজিক ন্যায় আৰু সবলীকৰণ সঞ্চালকালয়ৰ দিব্যাংগ ছাত্ৰ-ছাত্ৰী জলপানি আঁচনিৰ অধীনত ইচ্ছুক শিক্ষাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। এই আঁচনিৰ অধীনত মাহে ২০০ টকাকৈ প্ৰাথমিক বিদ্যালয়ৰ পৰা স্নাতকোত্তৰ পৰ্যায়লৈকে অধ্যয়নৰত দিব্যাংগ ছাত্ৰ-ছাত্ৰীক জলপানি দিয়াৰ ব্যৱস্থা আছে। ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে অহা ১৬ অক্টোবৰৰ ভিতৰত সংশ্লিষ্ট জিলা সমাজ কল্যাণ বিষয়াৰ কাৰ্যালয়ত আবেদন দাখিল কৰিব লাগিব।

০০০০০০০

আই এছ এল ফুটবল প্ৰতিযোগিতাত আজি সন্ধিয়া চাৰে ৭ বজাত ভুৱনেশ্বৰৰ কলিংগ ষ্টেডিয়ামত ওড়িশা এফ চি - কেৰালা ব্লাষ্টাৰ্ছ এফ চিৰ মুখামুখি হ'ব। কেৰালা ব্লাষ্টাৰ্ছে ইয়াৰ পূৰ্বৰ খেলত নৰ্থ-ইষ্ট ইউনাইটেড এফ চিৰ বিৰুদ্ধে ১-১ গলত ড্ৰ' খেলি আই এছ এলৰ পইণ্ট তালিকাত পঞ্চম স্থান দখল কৰিছে। ইফালে ওড়িশা এফ চিয়ে জামছেদপুৰ এফ চিক ২-১ গলত পৰাজিত কৰি পইণ্ট তালিকাৰ দশম স্থান অধিকাৰ কৰিছে।

০০০০০০০

গুৱাহাটীৰ সৰুসজাইৰ ক্ৰীড়া প্ৰকল্পত কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে একাদশ সদৌ অসম ছিনিয়ৰ লন বল ৰেংকিং প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। অসম লন বলিং সন্থাই এই প্ৰতিযোগিতাৰ আয়োজন কৰিছে।

০০০০০০০

সমাপ্ত